#  ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

**India's National Spiritual Newspaper**

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor: Sis. Bornali Thapa Raj

Vol. XXII | YEAR OF OUR LORD JESUS CHRIST, FEBRUARY 2022 | No. 8

### পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

গীতমালা ২০ঃ১-৯

১। হে ৰজা, যিহোৱাই সংকটৰ কালত আপোনাক উত্তৰ দিয়ক; যাকোবৰ ঈশ্বৰৰ নামে আপোনাক উচ্চ স্থানত স্থাপন কৰক।

২। তেওঁ পবিত্ৰ স্থানৰ পৰা আপোনালৈ সহায় পঠাওক; চিয়োনৰ পৰা আপোনাক শক্তিদান কৰক।

৩। আপোনাৰ সকলো নৈবেদ্য সোঁৱৰণ কৰক; আপোনাৰ হোমবলি গ্ৰহণ কৰক।

৪। আপোনাৰ সকলো মনৰ বাঞ্ছা পূৰ কৰক। আপোনাৰ সকলো আলচ সিদ্ধ কৰক।

৫। আমি আপোনাৰ পৰিত্ৰাণত আনন্দ ধ্বনি কৰিম; আমাৰ ঈশ্বৰৰ নামে আমি নিচান তুলিম; যিহোৱাই আপোনাৰ সকলো প্ৰাৰ্থনা সফল কৰক।

৬। এতিয়া মই জানো যে, যিহোৱাই নিশ্চয়ে তেওঁৰ অভিষিক্ত জনক পৰিত্ৰাণ দিব, তেওঁ নিজ পৰিত্ৰাণ দিওঁতা সোঁহাতৰ শক্তিৰে নিজ পবিত্ৰ স্বৰ্গৰ পৰা তেওঁক উত্তৰ দিব।

৭। কোনোৱে ৰথত, কোনোৱে ঘোঁৰাত ভাৰসা কৰে, কিন্তু আমি হ'লে আমাৰ ঈশ্বৰ যিহোৱাৰ নাম মুখত লওঁ।

৮। সিঁহতে উজুটি খাই পৰিল, কিন্তু আমি হ'লে উঠি থিয় হৈ আছো।

৯। হে যিহোৱা, উদ্ধাৰ কৰা; আমি প্ৰাৰ্থনা কৰা কালত ৰজাই আমাক উত্তৰ দিয়ক।

## কিয় যীচু খ্ৰীষ্টৰ বংশাৱলী অব্ৰাহাম আৰু দানিয়েলৰ পৰা আগলৈ গৈছে?

(Why the genealogy of Jesus Christ Precedes Abraham and David only ?)

*ভাই এম, পৌলৰাজ*

মথিৰ প্ৰথম ১ঃ১ পদত আমি এইদৰে পঢ়োঃ যীচুখ্ৰীষ্টৰ বংশাৱলীৰ পুস্তক, ... দায়ুদৰ পুত্ৰ, অব্ৰাহামৰ পুস্তকঃ যীচুখ্ৰীষ্টৰ বংশাৱলী অব্ৰাহামৰ পৰা যোছেফলৈকে ৪২ টা বংশক অন্তৰ্ভুক্ত কৰিছে। গতিকে ৪২ টা বংশৰ এটা শ্ৰেণীৰ পৰা ঈশ্বৰে কেৱল অব্ৰাহাম, দায়ুদ আৰু যীচুৰ তিনিটা বংশক মনোনীত কৰিছে। গতিকে, এইটো অনুজ্ঞাসূচক যে ওপৰৰ তিনিটা নামসমূহৰ দূৰগামী মহত্ব থাকিব লাগিব। হয়, এই নামসমূহ বিশেষ নাম হয় আৰু ইয়াত ওজন আৰু গুৰুত্ব আছে। আব্ৰাহাম, দায়ুদ আৰু যীচু খ্ৰীষ্টৰ মহান নামসমূহক বিতংভাৱে চাওঁহক।


### অব্ৰাহাম !

অব্ৰাহাম তেৰহৰ পুত্ৰ আছিল, কলদীয়াবিলাকৰ মিচপটামিয়াত বাস কৰিছিল। সেই দেশখনত সম্পূৰ্ণ কটা প্ৰতিমাৰে ভৰি আছিল। (আদি পুস্তক ১২ঃ১-৩; পাঁচনিৰ কৰ্ম ৭ঃ২-৪)। যদিও আহবানটো অব্ৰাহামলৈ আহিছিল, তেওঁৰ পিতৃয়ে সেই দায়িত্ব ল'লে আৰু অব্ৰাহামক, তেওঁ ভাৰ্যা চাৰী আৰু লোট, নাতি লগত লৈ কনান দেশলৈ যাবৰ নিমিত্তে কলদীয়াহঁতৰ উৰ নগৰৰে কিছুদিন নিবাস কৰিলে। তেওঁবিলাকে হাৰণ নগৰত ৩০ ৰ পৰা ৪০ বছৰলৈকে নিবাস কৰিলে আৰু তাতে সম্পত্তি গোটালে। যেতিয়া হাৰণৰ মৃত্যু হ'ল, পুনৰ অব্ৰাহামলৈ আহবান আহিল (আদি পুস্তক ১২ঃ১-৩)। তেতিয়াও অব্ৰাহামে তেওঁৰ ভাৰ্যাৰ লগত লোটক নিলে। ইয়াত অব্ৰাহামলৈ দিয়া আহবানলৈ বিপথে কাৰ্য্য হ'ল। ঈশ্বৰে অব্ৰাহামৰ সিদ্ধান্তত সন্তুষ্টি নহ'ল। ইয়াত উদ্দেশ্যৰ প্ৰৱাহিত হ'ব। পৰিয়ালৰ ক্ষেত্ৰত হওক বা ব্যৱসায়ৰ ক্ষেত্ৰতো হওক। তথাপি ঈশ্বৰ অব্ৰাহামৰ লগত আছিল। সেই পৰিয়ালৰ সকলোৱে কনান দেশত প্ৰৱেশ কৰিলে আৰু চিখিমত থাকিলে। পাছে তেওঁ সেই ঠাই এৰি বৈৎএললৈ গ'ল আৰু তাতে তেওঁৰ তম্বু-ঘৰ তৰিলে। পাছে যিহোৱাই

*৩ পৃষ্ঠাত চাওঁক*

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

(ECHO GROUP)




## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

"... মই মোৰ প্ৰজা ইস্ৰায়েলৰ বন্দী অৱস্থা পৰিৱৰ্তন কৰিম..." (আমোচ ৯:১৪)



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

**CHIEF EDITOR**
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager

**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M.Phil., B.Ed.

**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

ঈশ্বৰত মোৰ প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা প্ৰভু যীচু খ্ৰীষ্টৰ নামৰ গৌৰৱান্বিত হওক। "তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনীৰ যোগেদি তেওঁৰ নামত আপোনালোকক শুভেচ্ছা জনাবলৈ পাই আমি আনন্দিত হৈছো।

ডিচেম্বৰ ২০২১ আৰু জানুৱাৰী ২০২২ মাহত ঈশ্বৰে আমাৰ আটাই কাৰ্য্যকলাপবিলাকত আশীৰ্বাদ কৰিলে। চাণ্ডেস্কুল পৰিচৰ্য্যা, হিন্দী ভাষাত নহিমিয়া বাইবেল কলেজৰ অনলাইন পাঠ্যক্ৰমসমূহৰ সৈতে আমি বৰদিন আৰু নৱবৰ্ষৰ কাৰ্য্যসূচী সুন্দৰকৈ পালন কৰিলো।

২০২২ বৰ্ষত ৩ জানুৱাৰীত আৰম্ভ হোৱা আমাৰ হিন্দী অনলাইন পাঠ্যক্ৰমক ঈশ্বৰে আশীৰ্বাদ কৰি আছে। বহুত ছাত্ৰ-ছাত্ৰীসকলে ইয়াত নামভৰ্তি কৰিছে আৰু এই পাঠ্যক্ৰমটো উত্তৰ ভাৰতৰ হিন্দী ভাষা কোৱা ছাত্ৰ-ছাত্ৰী, যিবিলাকে নিয়মীয়া পাঠ্যক্ৰমৰ যোগেদি অধ্যয়ন কৰিব নোৱাৰে তেওঁবিলাকৰ বাবে উপকৃত হ'ব।



আমাৰ চাণ্ডেস্কুলৰ শিশু পৰিচৰ্য্যা চলাবলৈ ঈশ্বৰে আমাক এটি দল যোগায় দিছে। এই দলটোৰ এখন ছবি তলত আমি পাব্লিচ কৰিছো, অনুগ্ৰহ কৰি তেওঁলোকৰ বাবে আপোনাৰ প্ৰাৰ্থনাত উল্লেখ কৰক। আমি বিশেষকৈ আমাৰ প্ৰিয় পালক, নহিমিয়া বাইবেল কলেজৰ সভাপতি এম মুথুৰ স্বাস্থ্যৰ বাবে আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সহকাৰী সম্পাদক ভাই এম, পৌলৰাজক বিশেষভাৱে স্পৰ্শ কৰিবলৈ আৰু সোনকালে আৰোগ্য কৰিবলৈ প্ৰাৰ্থনা কৰক।

আমি আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰো আৰু আপোনালোকৰ জীৱনত মহান কাৰ্য্যবোৰ হ'বলৈ প্ৰাৰ্থনা কৰো।

খ্ৰীষ্ট্ৰ যীচুত আপোনালোকৰ সেৱক,

পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) ✿ BIBLECOR - Postal Courses (3 languages) ✿ Online Courses ✿ Theological Correspondence Courses (2 languages) ✿ Church Planting ✿ Nehemiah Bible Colleges ✿ Gospel Printing Press ✿ Great Commission Partners ✿ St. Paul's Matriculation School ✿ Crusades ✿ Community Development

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

অব্ৰাহামক দৰ্শন দি ক'লে, তোমাৰ বংশকেই মই এই দেশ দিম। আদিপুস্তক (১২ঃ৭)।

অব্ৰাহাম পশুৰ জাক আৰু সোণ-ৰূপেৰেও অতিশয় চহকী আছিল আৰু তেওঁবিলাকৰ পশুপালক বিলাকৰ মাজত প্ৰায়েই কাজিয়া হৈ আছিল। গতিকে দুয়োজনে শান্তিৰে বেলেগ হৈ যোৱাৰ সিদ্ধান্ত ল'লে। লোটে যৰ্দনৰ সমতলৰ চদোম আৰু ঘমোৰাৰ গোটেই সাৰুৱা ভূমি মনোনীত কৰি ল'লে।

প্ৰায় পাঁচজনমান ৰজাই চদোম আৰু ঘমোৰাৰ ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহিলে আৰু লোট তেওঁৰ ভাৰ্যাক বন্দী কৰি লৈ যোৱাৰ লগতে তেওঁবিলাকৰ আৰু চদোম আৰু ঘমোৰাৰ আটাই সম্পত্তিকো লৈ গ'ল। যেতিয়া অব্ৰাহামে লোটক বন্দী কৰি লৈ যোৱা কথা শুনিলে, তেওঁ ৩১৮ জন শিক্ষিত লোকক উলিয়াই লৈ, শত্ৰুবোৰৰ পাছে পাছে দানলৈকে খেদি গ'ল। অব্ৰাহাম আৰু তেওঁৰ মানুহবিলাকে শত্ৰবোৰক আক্ৰমণ কৰি হৰুৱালে আৰু দম্মেচকলৈকে খেদিলে আৰু তেওঁ সকলো সম্পত্তি, পুৰুষ আৰু তিৰোতা মানুহবোৰক ওভোটাই আনিলে।

উভতি আহোতে, চালেমৰ ৰজা, আৰু সৰ্বোপৰি ঈশ্বৰৰ পুৰোহিত মল্কীচেদকে পিঠা আৰু দ্ৰাক্ষাৰস অব্ৰাহামলৈ আনিলে আৰু তেওঁক আশীৰ্বাদ কৰিলে। অব্ৰাহামে তেওঁক সকলো বস্তুৰ দহ ভাগৰ এভাগ তেওঁক দিলে (আদি পুস্তক ১৪ঃ১৬-২০)

## এই মল্কীচেদক কোন আছিল ?

মল্কীচেদক চালেমৰ ৰজা আৰু সৰ্বোপৰি ঈশ্বৰৰ পুৰোহিত আছিল। অব্ৰাহামে তেওঁৰ সকলো বস্তুৰ পৰা দহ ভাগৰ এভাগ তেওঁক দিছিল। তেওঁৰ নামক ধাৰ্মিকতাৰে ৰজা আৰু চালেমৰ ৰজা বুলি অনুবাদ কৰা হৈছে যাৰ অৰ্থ হৈছে শান্তিৰ ৰজা।তেওঁ পিতৃহীন, মাতৃহীন, বংশাৱলীবিহীন বা দিনবোৰৰ আৰম্ভণি নাছিল বা জীৱনৰ শেষ নাছিল, কিন্তু ঈশ্বৰৰ পুত্ৰৰ দৰে তেওঁক বনোৱা হৈছিল। তেওঁ একেৰাহে পুৰোহিতৰ দৰে আছিল। এইদৰে তেওঁ মল্কীচেদকৰ দ্বাৰাই আশীৰ্বাদপ্ৰাপ্ত হৈছিল। তেওঁলোকে ৰজা আৰু পুৰোহিতৰ দায়িত্ব একে সময়তে সম্পন্ন কৰিছিল, এটা লক্ষণীয় যোগ্যতাৰ লোক আছিল।

## ৰজা আৰু পুৰোহিতসকল !

ঈশ্বৰৰ ৰাজ্যত, প্ৰভু যীচুখ্ৰীষ্টই আমাক আমাৰ ঈশ্বৰ আৰু পিতৃলৈ ৰজা আৰু পুৰোহিতস্বৰূপ কৰিব (প্ৰকাশিত বাক্য ১ঃ৬)। কি যে এটা সুন্দৰ সুযোগ আমি পাম ?

দায়ুদ ৰজাই ৰজা আৰু পুৰোহিতৰ দায়িত্ব পালন কৰিছিল। এজন ৰজা হিচাবে তেওঁ ঈশ্বৰৰ চন্দুক যিৰূচালেমলৈ আনিলে। যেতিয়া পুৰোহিতসকলে তেওঁলোকৰ কান্ধত নিয়ম চন্দুকখন তুলি আনিছিল। তেওঁ সেই সময়ত চন্দুকৰ আগে আগে নাচিছিল। দায়ুদ ৰজাই তেওঁৰ ৰাজকীয় বস্ত্ৰ সলাই শণ সূতাৰ এফোদ বস্ত্ৰ পৰিধান কৰি, এইদৰে তেওঁ ঈশ্বৰৰ আগত নিজকে নম্ৰ কৰিলে। এফোদ পুৰোহিতসকলে পৰিধান কৰে। দায়ুদে হোম-বলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গা কৰিলে। দায়ুদে যিৰূচালেমত তাৰ নিমিত্তে তৰা তম্বুৰ ভিতৰত চন্দুক ৰাখিলে (২ চামুৱেল ৬ঃ১৩-১৫)। যদিও দায়ুদে ৰজা আৰু পুৰোহিতৰ দায়িত্ব পালন কৰি আছিল, তেওঁৰ দেশখন শান্তিত নাছিল, কিয়নো তেওঁ সদায় যুদ্ধত লিপ্ত হৈ আছিল। দৰাচলতে ঈশ্বৰে দায়ুদক তেওঁৰ নিজৰ নিমিত্তে মন্দিৰ নিৰ্মাণ কৰিবলৈ দিয়া নাছিল, কিয়নো তেওঁ যুদ্ধত বহুতৰ তেজ বোৱাইছিল।

## প্ৰভু যীচুখ্ৰীষ্ট !

জখৰিয়া ৯ঃ৯ পদত, আমি যীচুক ৰজাৰ দৰে দেখো আৰু ইব্ৰী ৭ঃ১৬,১৭ পদত যীচুক আমি মহা পুৰোহিতৰ দৰে দেখো। সহস্ৰাব্দত তেওঁ ৰজা আৰু পুৰোহিতৰ দায়িত্বক এৰি দিব। দায়ুদ ৰজাই ভৱিষ্যবাণী কৰাৰ দৰে কৈছিলঃ "তুমি মল্কীচেদকৰ ৰীতি অনুসাৰে নিত্য পুৰোহিত হোৱা" (গীতমালা ১০০ঃ৪)

## নতুন বিধান প্ৰতি প্ৰতিষ্ঠা কৰা !

যেতিয়া অব্ৰাহামৰ ৯৯ বছৰ বয়স হৈছিল, ঈশ্বৰে তেওঁক দৰ্শন দি ক'লে, "সৰ্বশক্তিমান ঈশ্বৰ; মোৰ আগত চলাচল কৰি সিদ্ধ হোৱা। এইটো অৱশ্যে অব্ৰাহামলৈ এটা সৰ্তকবাণী আছিল, ঈশ্বৰে তেওঁৰ সৈতে এটি পুত্ৰ দান দিয়াৰ প্ৰতিজ্ঞা কৰাৰ পাছত অব্ৰাহামে সকলো বিষয়বোৰক সঠিককৈ পালন কৰা নাছিল। অব্ৰাহামে তলত উল্লেখ কৰা বিষয়বোৰক পৰিত্যাগ কৰিছিল।

১। যেতিয়া কনান দেশত আকাল হৈছিল, অব্ৰাহামে চাৰাক লগত লৈ মিচৰ দেশলৈ গৈছিল। চাৰা অতি সুন্দৰী হোৱা হেতুকে তেওঁ তেওঁৰ ভাৰ্যাক তেওঁক ডাঙৰ দাদা বুলি চিনাকী দিবলৈ কৈছিল, কিয়নো তেওঁক মিচৰীয়াবিলাকে বধ কৰিব বুলি ভয় কৰিছিল। চাৰাক দেখি ফৰৌণৰ লোকবিলাকে তেওঁক ফৰৌণৰ ওচৰলৈ নিলে। কিছুদিনলৈ তেওঁক ৰাজমহলত ৰখা হৈছিল। তাত


## TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us.

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |

অব্ৰাহামক ভাল ব্যৱহাৰ কৰা হৈছিল। ফৰৌণে তেওঁক মেৰ, ছাগ, বন্দী, বেটী ইত্যাদি দিছিল। বেটীবিলাকৰ মাজত হাগৰো আছিল। ঈশ্বৰে ফৰৌণৰ মহাক্লেশ ঘটালে। ফৰৌণে নিজৰ দোষ বুজি পালে আৰু অব্ৰাহামক তেওঁৰ লোকবিলাকৰ সৈতে এৰি দিলে। ইয়াত অব্ৰাহামে মিচৰলৈ যোৱাৰ আগতে ঈশ্বৰৰ পৰা আদেশ লোৱা নাছিল।

২। ঈশ্বৰে অব্ৰাহামক দৰ্শন দি তেওঁক আশীৰ্বাদ দিম বুলি ক'লে। অব্ৰাহামে ক'লে, যে তেওঁৰ পুত্ৰ নাই, ইলীয়েজৰহে উত্তৰাধিকাৰী হৈছে! তেতিয়া ঈশ্বৰে ক'লে, তেওঁ তেওঁৰ উত্তৰাধিকাৰী নহ'ব, যিজন তেওঁৰ শৰীৰৰ পৰা আহিব তেওঁহে তেওঁৰ উত্তৰাধিকাৰী হ'ব। ঈশ্বৰে অব্ৰাহামক বাহিৰলৈ মাতি নি ক'লে, তুমি আকাশৰ তৰাবোৰলৈ চোৱা সিমান বৃহৎ তোমাৰ বংশ হ'ব (আদিপুস্তক ১৫ঃ১-৫)। সেই বাক্য যেতিয়া আহিছিল, তেতিয়া তেওঁৰ বয়স ৭৫ বছৰ হৈছিল।

৩। যেতিয়া অঙ্গীকৃত পুত্ৰৰ জন্ম হোৱা নাছিল, দম্পত্তি হাল অধৈৰ্য্য হ'ল। চাৰাই তেওঁৰ বেটী হাগাৰক লৈ অব্ৰাহামক দিলে। তেওঁ অমান্তি নহ'ল। হাগাৰক লোৱাৰ সময়ত তেওঁৰ বয়স ৮৬ বছৰ আছিল, তেওঁ এটি পুত্ৰ ইশ্মাইলকে জন্ম দিলে।

ঈশ্বৰ সুখী হোৱা নাছিল। অব্ৰাহামৰ ৯৯ বছৰ বয়স হৈছিল। সেই কালত এজনীতকৈ অধিক ছোৱালীক বিয়া কৰাটো পাপ নাছিল। কিন্তু ইয়াত নায়কজন অব্ৰাহাম, এটা বিশেষ কাৰ্য্যৰ বাবে ঈশ্বৰৰ দ্বাৰাই মনোনীত হৈছিল। ইয়াত, অব্ৰাহামে ঈশ্বৰলৈ বাধ্য হ'ল।

গতিকে, অব্ৰাহামে ঈশ্বৰৰ আগত সিদ্ধ হৈ চলিবলৈ বিচাৰিলে। ঈশ্বৰে এটা নিয়ম স্থাপন কৰিলে, যে যিমান পুত্ৰ সন্তান তেওঁলৈ আৰু তেওঁৰ বংশলৈ জন্ম হ'ব, জন্মৰ আঠ দিনৰ দিনা চুন্নৎ হ'ব লাগে। এই নিয়মটি মানুহৰ ক্লেশৰ বাবে স্থাপন কৰা হৈছিল। এই নিয়মটিৰ মতে, ঈশ্বৰে তেওঁক অতিশয় বৃদ্ধি কৰিব। ঈশ্বৰে তেওঁৰ নাম অব্ৰামৰ পৰা অব্ৰাহামলৈ পৰিৱৰ্তন কৰিলে। কিয়নো তেওঁ জাতিসমূহৰ আদি পিতৃ আছিল। ইচ্হাকৰ জন্মৰ সময়ত অব্ৰাহামৰ বয়স ১০০ বছৰ হৈছিল আৰু চাৰাৰ বয়স ৯০ বছৰ হৈছিল! ঈশ্বৰৰ পক্ষে কোনোটোৱেই অসম্ভৱ নহয় !

## মহা পৰীক্ষা !

এতিয়া ঈশ্বৰে অব্ৰাহামক পৰীক্ষা কৰিবলৈ বিচাৰিলে। ঈশ্বৰে তেওঁক ক'লে, "তুমি নিজ পুত্ৰক, তুমি প্ৰেম কৰা তোমাৰ সেই একেটি পুত্ৰ ইচহাককো লৈ মোনিয়া দেশলৈ যোৱা আৰু সেই ঠাইৰ পৰ্বতবোৰৰ মাজৰ যি এটা পৰ্বতৰ কথা মই তোমাক কম, তাৰ ওপৰতে তাক হোমৰ বলিৰ অৰ্থে বলিদান কৰাগৈ।" এই বাক্যটি শুনি, তেওঁৰ মূৰত বজ্ৰপাত পৰা যেন লাগিছিল। কিন্তু তেওঁ নিশ্চিত আছিল, যে যিজনে তেওঁক এটি পুত্ৰ দান কৰিছিল। তেওঁ তেওঁক উচ্চ আৰু শুকান কৰি নিদিব।

অব্ৰাহামে পুৱাতে উঠি, নিজ পুত্ৰ ইচহাককো লগত ল'লে আৰু তেওঁক বলিদান কৰিবলৈ কাঠো ফালি ল'লে আৰু যাত্ৰা আৰম্ভ কৰিলে। পিতৃ আৰু পুত্ৰ দুয়ো পৰ্বতৰ ওপৰলৈ পালে। তেতিয়া ইচহাকে পিতৃক সুধিলে, "হোমৰ অৰ্থে মেৰ পোৱালী ক'তা?" অব্ৰাহামে ক'লে, "বোপা, ঈশ্বৰে আপুন হোমৰ অৰ্থে মেৰ পোৱালি যোগাব।"

যজ্ঞ-বেদি সজা হ'ল, অব্ৰাহামে পুত্ৰক বান্ধি যজ্ঞ-বেদিৰ ওপৰত থ'লে। নিজ পুত্ৰক বধ কৰিবলৈ হাত মেলি ছুৰীখন ল'লে। এনেতে যিহোৱাৰ দূতে তেওঁক মাতি ক'লে, হে অব্ৰাহাম, অব্ৰাহাম, তুমি ল'ৰাৰ গাত হাত নিদিবা আৰু তুমি যে ঈশ্বৰৰ ভয়কাৰী লোক, তাক মই এতিয়া জানিছো। কাৰণ তোমাৰ পুত্ৰ তোমাৰ একেটি পুত্ৰকে মোক দিবলৈ অসন্মত নহ'লা।" বাইবেলে কয় যে, যেতিয়া ঈশ্বৰে তেওঁৰ পুত্ৰক দিলে, "ইয়াকে বুজায় যে ঈশ্বৰে তেওঁক আনকি মৃত্যুৰ পৰা তুলিব পাৰে, আৰু তাৰ পৰা দৃষ্টান্তৰূপে তেওঁক পুনৰায় পালেও" (ইব্ৰী ১১ঃ১৭-১৯)। "অব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰাত, সেয়ে তেওঁলৈ ধাৰ্মিকতা বুলি গণিত হ'ল" (গালাতীয়া ৩ঃ৬)। আৰু অব্ৰাহামে সকলো বিশ্বাসকাৰী লোকবিলাকৰ পিতৃ হ'ল।

ঈশ্বৰৰ দ্বাৰাই সৃষ্টি হোৱা মানুহ আদম অবাধ্য হোৱাৰ বাবে বিফল হৈছিল। নোহৰ প্ৰজন্ম আৰু তেওঁৰ বংশধৰ বিলাকো বিফল হৈছিল

৬ পৃষ্ঠাত চাওঁক

নহিমিয়া বাইবেল সন্ধ্যা / আবাসিক মহাবিদ্যালয়, চেন্নাই
মাধ্যম ঃ হিন্দী / তামিল
যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA লৈ
ATA NEHEMIAH BIBLE COLLEGE CHENNAI
প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া
অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক !
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
★ ONLINE CLASSES ARE AVAILABLE ★

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৰা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৰা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৰা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২২ চনৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ২০২২ চনৰ ১৮ মাৰ্চলৈ**

## প্ৰশংসাৰ বিষয়সমূহ

ফেব্ৰুৱাৰী ১৯ ঃ মিশ্বন মনৰ মানুহৰ সৈতে থকা আমাৰ কেন্দ্ৰ মণ্ডলীক আশীৰ্বাদ কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰক।

ফেব্ৰুৱাৰী ২০ ঃ ১৯৬৯ চনৰ পৰা আমাৰ আলোচনী পৰিচৰ্য্যা আমাৰ অঙ্গীকাৰ ওপৰত ঈশ্বৰে প্ৰচুৰ আশীৰ্বাদ কৰাৰ বাবে তেওঁক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২১ ঃ আমাৰ বিব্লেকৰ আৰু থিয়লজীকেল যোগাযোগ পাঠ্যক্ৰম সমূহৰ বাবে ঈশ্বৰে নতুন নতুন ছাত্ৰ-ছাত্ৰী দিয়াৰ তেওঁক ধন্যবাদ জনাওঁ।

ফেব্ৰুৱাৰী ২২ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সহকাৰী সম্পাদক আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৩ ঃ আমাৰ মেট্ৰিকুলেশ্বন স্কুল চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ অধ্যক্ষ, শিক্ষক আৰু আন আন কৰ্মীসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৪ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবচক্ৰাইব অংশীদাৰ বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ, মহান আজ্ঞা অংশীদাৰে আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৫ ঃ আমাৰ কৰ্মীসকলৰ ওপৰত ঈশ্বৰে তেওঁৰ প্ৰাচুৰ্য্য পৰিমাণৰ আশীৰ্বাদ বৰষাই দিয়াৰ বাবে তেওঁক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৬ ঃ সকলো মণ্ডলীসমূহৰ পালক আৰু বিশ্বাসীসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৭ ঃ আমাৰ শুভবাৰ্তা ছপাশালত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৬ টা ভাষাত) ছপা কৰিবলৈ সমৰ্থ হোৱাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

ফেব্ৰুৱাৰী ২৮ ঃ যোৱা মাহত আমাৰ সকলো অভাৱবোৰ পৰিপূৰ্ণ কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মাৰ্চ ০১ ঃ আমাৰ শুভবাৰ্তা ছপাশাল আৰু অভিজ্ঞ কৰ্মীসকলৰ দ্বাৰাই ইয়াৰ কাৰ্য্য চলি থকাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

মাৰ্চ ০২ ঃ আমাৰ হিন্দী অনলাইন থিয়লজীকেল পাঠ্যক্ৰমৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদৰ বাবে তেওঁক ধন্যবাদ জনাওঁ।

মাৰ্চ ০৩ ঃ আমাৰ জ্যেষ্ঠ পালক, এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক আমাৰ প্ৰভু ঈশ্বৰে সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আহিছে।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

মাৰ্চ ০৪ ঃ সকলো খ্ৰীষ্টিয়ান অনুষ্ঠান বিলাকক ঈশ্বৰৰ আশীৰ্বাদ আৰু নিৰাপত্তাৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ০৫ ঃ সকলো দেশসমূহৰ মাজত একতা আৰু শান্তিৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ০৬ ঃ আৰু কৰ্মীসকলৰ স্বাস্থ্যৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ০৭ ঃ ভাৰতৰ শুভবাৰ্তা নোপোৱা ঠাইসমূহত শুভবাৰ্তা বিলাবলৈ সমৰ্থ হ'বৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ০৮ ঃ আমাৰ অংশীদাৰসকল আৰু ৰাজ্যিক সহপৰিচালকসকলৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ০৯ ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক ভাই এম, পৌলৰাজৰ স্বাস্থ্যৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১০ ঃ আমাৰ সকলো পৰিচৰ্য্যামূলক কাৰ্য্যকলাপ সমূহৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১১ ঃ এই পৃথিৱীৰ সকলো মহিলা আৰু শিশু সকলৰ নিৰাপত্তাৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১২ ঃ প্ৰাৰ্থনা কৰক যাতে এই মাহত ঈশ্বৰে আমাৰ প্ৰয়োজনীয়সমূহ যোগাই দিয়ে।

মাৰ্চ ১৩ ঃ এই পৃখিৱীৰ পৰা যাতে কৰ'না ভাইৰাছ সম্পূৰ্ণৰূপে নিঃশেষ হয় তাৰ বাবে ঈশ্বৰৰ দয়ালৈ প্ৰাৰ্থনা কৰক।

মাৰ্চ ১৪ ঃ ২০২২ নতুন বৰ্ষত ঈশ্বৰে যেন উপচি পৰাকৈ আশীৰ্বাদ বৰষায় তাৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১৫ ঃ আমাৰ দেশ আৰু ইয়াৰ আৰ্থিক উন্নতিৰ বাবে ঈশ্বৰৰ আশীৰ্বাদ পাবলৈ প্ৰাৰ্থনা কৰক।

মাৰ্চ ১৬ ঃ পৃথিৱীৰ সকলো মানুহৰ নিৰাপত্তাৰ বাবে প্ৰাৰ্থনা কৰক।

মাৰ্চ ১৭ ঃ অমিক্ৰণ মহামাৰীৰ পৰা আমাৰ প্ৰত্যেকেই ৰক্ষা পাবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

মাৰ্চ ১৮ ঃ আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো দুষ্ট শক্তিৰ পৰা নিৰাপদে ৰাখিবলৈ প্ৰাৰ্থনা কৰক।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*
(নোহ ধাৰ্মিক আছিল) গতিকে, ভাবী বংশবিলাকেও তেওঁক সেৱা কৰিবলৈ এক বংশক পাবলৈ ঈশ্বৰে কলদীয়াবিলাকৰ মাজৰ পৰা এজন ধাৰ্মিক মানুহক তেওঁ মনোনীত কৰি লৈছিল। (গীতমালা ২২ঃ৩০)। সেই গতিকে অব্ৰাহামক দায়ুদ ৰজা আৰু যীচু খ্ৰীষ্টৰ সৈতে ৰখা হৈছে! এজন ওখ ব্যক্তি!

## দায়ুদ ৰজা !

ঈশ্বৰেই আছিল ইস্ৰায়েলৰ লোকবিলাকৰ ৰজা আৰু চমূৱেল আছিল শেষ বিচাৰকৰ্তা আৰু ভাববাদী। ইস্ৰায়েল লোকবিলাকে চমূৱেলৰ ওচৰলৈ আহি ক'লে যে আন জাতিবিলাকৰ নিছিনা তেওঁবিলাকৰ হৈ যুদ্ধ কৰিবলৈ নেতৃত্ব দিবলৈ এজন ৰজা লাগে। এই কথাত চমুৱেলে সন্তোস নাপালে। ঈশ্বৰে চমূৱেলক ক'লে, "এই লোকবিলাকে তোমাৰ আগত যি যি কথা কৈছে, সেই সকলোতে সিহঁতৰ কথালৈ কাণ দিয়া, কিয়নো সিহঁতে যে তোমাক অগ্ৰাহ্য কৰিলে, এনে নহয়, কিন্তু মই যেন সিহঁতৰ কথালৈ কাণ দিয়া, কিয়নো সিহঁতে যে তোমাক অগ্ৰাহ্য কৰিলে এনে নহয়, কিন্তু মই যেন সিহঁতৰ ওপৰত ৰাজত্ব নকৰিম, এই আশয়েৰে মোকেইহে অগ্ৰাহ্য কৰিলে" (১ চমূৱেল ৮ঃ৭)। গতিকে বিন্যামীন ফৈদৰ কীচৰ পুতেক চৌলক ইস্ৰায়েলৰ ৰজা পাতিলে।

পাছে ঈশ্বৰে চমূলেক এই কথা ক'লে, মিছৰৰ পৰা কনানলৈ ইস্ৰায়েল ওলাই অহা কালত অমালেকে বাটৰ মাজত তেওঁক কেনেকৈ আক্ৰমণ কৰিছিল, গতিকে অমালেকেক শাস্তি দিবলৈ চৌলক কোৱা। ঈশ্বৰে বিচাৰিছিল যে চৌলে অমালেকীয়াহঁতৰ সকলো বস্তুক নিঃশেষে বিনষ্ট কৰিব লাগে আৰু একোকে ৰাখিব নালাগে। চৌল আৰু তেওঁৰ সৈন্যদলে অমালেকীয়াহঁতক আক্ৰমণ কৰিলে আৰু ৰজা অগাগক জীয়াই ধৰিলে আৰু সকলো মানুহক বধ কৰিলে। তেওঁবিলাকে অগাগক জীয়াই ধৰিলে আৰু আটাই উত্তম মেৰছাগ, গৰু, হৃষ্টপুষ্ট দামুৰি আৰু মেৰ পোৱালিবোৰ আৰু আটাই উত্তম বস্তুবোৰ ৰাখিলে। কিন্তু যিবোৰ ঘিণ লগা আৰু ৰোগীয়া সেইবোৰক হ'লে বিনষ্ট কৰিলে।

পাছে চমূৱেললৈ যিহোৱাৰ বাক্য আহিল বোলে, "মই যে চৌলক ৰজা কৰিলো তাৰ নিমিত্তে মই বেজাৰ পাইছোঁ, কিয়নো তেওঁ মোৰ পৰা বিমুখ হ'ল, মোৰ আজ্ঞাবোৰ পালন নকৰিলে" (১ চামূৱেল ১৫ঃ১১)। যেতিয়া চৌলে চমূৱেলক লগ পালে, তেওঁক ক'লে যে তেওঁ ঈশ্বৰৰ আজ্ঞা পালন কৰিলে। তাতে চমূৱেলে ক'লে, "তেন্তে মোৰ কাণত মেৰ আৰু ছাগৰ সেই বেবনি হৈছে কিয়?" (১ চমূৱেল ১৫ঃ১৪)। চৌলে তেওঁক ক'লে যে সেইবোৰ তেওঁ যিহোৱাৰ উদ্দেশ্য বলিদানৰ নিমিত্তে আনিছে। কিন্তু চমূৱেলে ক'লে ঃ চোৱা, বলিদানতকৈ আজ্ঞা পালন উত্তম আৰু মেৰৰ তেলতকৈ বাক্যলৈ কাণ দিয়া উত্তম। কিয়নো বিদ্ৰোহ আচৰণ কৰা, মঙ্গলতিৰ পাপৰ তুল্য আৰু অৱশ হোৱা, দেৱ পূজা আৰু গৃহ দেৱতা মনাৰ সমান। তুমি যিহোৱাৰ বাক্য অগ্ৰাহ্য কৰিলা, এই নিমিত্তে তেৱোঁ তোমাক অগ্ৰাহ্য কৰি ৰজাবাবৰ পৰা গুচালে (১ চমূৱেল ১৫ঃ ২২,২৩)।

## দায়ুদ অভিষিক্ত ৰজা !

চমূৱেলে চৌলৰ বাবে শোক কৰি আছিল। ঈশ্বৰে চমূৱেলক ক'লে, "তুমিনো কিমান কাল চৌলৰ নিমিত্তে শোক কৰি থাকিবা?" তোমাৰ শিংটো তেলেৰে পূৰ কৰি বেৎলেহমীয়া যিচয়ৰ ওচৰলৈ যোৱা আৰু তেওঁৰ পুত্ৰবিলাকৰ এজনক অভিষেক কৰা। যিচয়ৰ আঠজন পুত্ৰ আছিল আৰু আটাইতকৈ সৰুজনেই আছিল দায়ুদ, তেওঁ পিতৃৰ মেৰ চৰাবলৈ গৈছিল। চমূৱেলে প্ৰথমে বৰপুত্ৰ ইলীয়াবলৈ চাই প্ৰভাৱিত হৈছিল। কিন্তু ঈশ্বৰে ক'লে "মানুহে যেনেকৈ চায়, যিহোৱাই তেনেকৈ নাচায়; কাৰণ মানুহে যি দেখিব পাৰি, তাৰ্লে চায়, কিন্তু যিহোৱাই মনলৈ দৃষ্টি ৰাখে" (১ চমূৱেল ১৬ঃ৭)। সাতজনৰ সকলোৱে প্ৰদৰ্শন কৰিলে, কিন্তু কোনেও মনোনীত নহ'ল। তেতিয়া দায়ুদক মানুহ পঠাই অনা হ'ল। "তেওঁৰ বৰণ অলপ ৰঙচীয়া আছিল ... সুনয়ন আৰু দেখিবলৈ সুন্দৰ আছিল। পাছে যিহোৱাই ক'লে, উঠা "ইয়াকে অভিষেক কৰা; কিয়নো ইয়েই সেই মানুহ!" তেতিয়া চমূৱেলে তেওঁৰ ককায়েকবিলাকৰ মাজত দায়ুদক অভিষেক কৰিলে; আৰু যিহোৱাৰ আত্মা তেওঁত স্থিতি হ'ল। যদিও দায়ুদ ইস্ৰায়েলৰ অভিষিক্ত ৰজা হ'ল, চৌলে তেতিয়াও ৰজাৰ কাৰ্য কৰি আছিল।

## দায়ুদে গলিয়াথক বধ কৰা

সেই কালত পলীষ্টীয়াবিলাকে ইস্ৰায়েলৰ বিৰুদ্ধে যুদ্ধকৰিবলৈ চেকহ আৰু অজেকাৰ মাজত এফচ দম্মীমত চাউনী পাতিলে। ইস্ৰায়েলৰ লোকবিলাকে এলাত তেওঁবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ চাউনী পাতিলে। যেতিয়া দুয়োটা চাউনীৰ লোকবিলাকে সন্মুখা-সন্মুখি হৈ ৰণলৈ বেহু পাতিছিল, এনেতে ৯.৭৫' ওখ গলিয়াথ নামৰ মহাবীৰ এজনে পলেষ্টিয়াবিলাকৰ চাউনীৰ পৰা ওলাই আহি ইস্ৰায়েলবিলাকৰ মাজত পৰা এজন বচা লোক আহি তাৰ লগত যুদ্ধকৰিবলৈ সি প্ৰত্যাহবান জনালে। এইদৰে ৪০ দিন একেৰাহে পুৱা আৰু সন্ধ্যাবেলাত চাউনীৰ পৰা ওলাই প্ৰত্যাহবান জনালে।

তেতিয়া ইস্ৰায়েল লোকবিলাকে এই পলীষ্টীয়া লোকজনক প্ৰত্যাহবান কৰিবলৈ কোনো এজন লোককে বিচাৰি নাপালে আৰু সকলোৱে অতিশয় ভয়প্ৰাপ্ত হৈছিল। যিচয়ৰ তিনিজন পুত্ৰ তেতিয়া সেই ইস্ৰায়েলৰ চাউনীত আছিল। পিতৃয়ে দায়ুদৰ হাতত ককায়েকহঁতলৈ খোৱাবস্তু দি পঠিয়াই থকাৰ বাবে দায়ুদে তালৈ পৰিদৰ্শন কৰি আছিল। দায়ুদে দেখিলে যে সেই পলিষ্টিয়া লোকজনে প্ৰত্যাহবান কৰি আছে আৰু ঈশ্বৰৰ নামক ইতিকিং কৰি আছে। তেতিয়া চৌলে ঘোষণা কৰি ক'লে যে যিজনে সেই পলেষ্টিয়াটোক বধ কৰিব তাৰ লগত তেওঁৰ জীয়েকক বিয়া দিব আৰু তেওঁক ধন দিয়া হ'ব (১ চমূৱেল ১৭ঃ২৬)।

দায়ুদৰ ককায়েকহঁতে দায়ুদক সেই পলেষ্টীয়াটোক প্ৰত্যাহবান জনোৱা কথা শুনি তেওঁক খং কৰিলে। কিন্তু দায়ুদ নিৰুৎসাহ হোৱা নাছিল। দায়ুদে চৌলক ক'লে, "তাৰ কাৰণে

কাৰো মন নিৰাশ নহওক ঃ আপোনাৰ এই দাসে গৈ সেই পলেষ্টীয়াটোৰ লগত যুদ্ধ কৰিব” (১ চমূৱেল ১৭ঃ৩২)। তেওঁ আৰু ক’লে, “আপোনাৰ এই দাসে সিংহ আৰু ভালুক দুয়োকে মাৰিলে; এতিয়া এই অচুন্নৎ পলেষ্টীয়াটোও সেই দুটাৰ মাজত এটাৰ নিচিনা হ’ব কাৰণ সি জীৱন্ত ঈশ্বৰৰ সৈন্যবিলাকক ইতিকিং কৰিছে” (১ চমূৱেল ১৭ঃ৩৬)। দায়ুদে পলেষ্টীয়ানটোক পৰাজয় কৰিম বুলি আত্মবিশ্বাসী আছিল আৰু চৌলে তেওঁক ক’লে, “যোৱা যিহোৱা তোমাৰ সঙ্গী হওক”।

চৌলে নিজৰ সাজেৰে দায়ুদক সজালে। তেওঁ আগেয়ে তাক অভ্যাস কৰা নাছিল, এই হেতুকে দায়ুদে সেইবোৰ সোলোকাই ল’লে, জুৰিলৈ গৈ তাৰ পৰা পাঁচোটা শিল বাচি ল’লে, সেইবোৰক মেৰ ৰখীয়াৰ জোলোঙাত ভৰাই ল’লে আৰু ফিঙ্গাগছ হাতত লৈ সেই পলেষ্টীয়াটোৰ ওচৰলৈ গ’ল। গলিয়াথে দায়ুদৰ আকাৰ আৰু গঠন দেখি হেয়জ্ঞান কৰিলে। গলিয়াথে নিজ দেৱতাবোৰৰ নাম লৈ দায়ুদক শাও দিলে। তেওঁ দায়ুদক ক’লে যে তেওঁ তাৰ মঙহ আকাশৰ চৰাইবোৰক আৰু জন্তুবোৰক দিব। দায়ুদে ক’লে ঃ

সি (গলিয়াথ) বৰছা আৰু যাঠী লৈ তেওঁৰ ওচৰলৈ আহিছে কিন্তু মই ইস্ৰায়েলৰ ঈশ্বৰ, বাহিনীবিলাকৰ যিহোৱাৰ নামেৰে আহিছোঁ, “আজি যিহোৱাই তোমাক মোৰ হাতত শোধাই দিব; আৰু মই তোমাক আঘাত কৰি তোমাৰ মূৰ ছেদন কৰিম ... কিয়নো যুদ্ধ যিহোৱাৰেই আৰু তেওঁ তোমালোকক আমাৰ হাতত সমৰ্পণ কৰিব” (১ চমূৱেল ১৭ঃ৪৫-৪৭)।

দায়ুদে এটা শিল উলিয়াই ফিঙ্গাত থৈ পাক দি সেই পলেষ্টীয়াৰ কপালত মাৰিলে। সেই শিল তাৰ কপালত বহি গ’ল আৰু সি তললৈ মুখ কৰি পৰি গ’ল। দায়ুদে লৰি গৈ পলেষ্টীয়াটোৰ কাষত থিয় হৈ তাৰ তৰোৱাল ফাঁকৰ পৰা উলিয়াই তাৰ মূৰ কাটি পেলালে। তেতিয়া পলেষ্টীয়াবিলাকে তেওঁবিলাকৰ সেই মহাবীৰ মৰা দেখি পলালে। তাৰ পাছত ইস্ৰায়েলৰ আৰু যিহোদাৰ লোকবিলাকে পলেষ্টীয়াবিলাকৰ পাছে পাছে খেদি গ’ল। দায়ুদে সেই পলেষ্টীয়াটোৰ মূৰ যিৰূচালেমলৈ লৈ গ’ল।

সেই দিনটো এটা জয়যুক্তৰ দিন আছিল আৰু ইস্ৰায়েলৰ বাবে আনন্দ কৰিবৰ সময় হ’ল। ইস্ৰায়েলৰ তিৰোতাবিলাকে গীত গাই নাচি-বাগি ৰং কৰি কৰি ওলাই আহিল।

তেওঁবিলাকে ক’লে ঃ

চৌলে বধিলে হাজাৰ হাজাৰ লোকক
আৰু দায়ুদে বধিলে অযুত অযুত লোকক।

এই কথা শুনি চৌলৰ হিংসা হ’ল আৰু অতিশয় ক্ৰুদ্ধ হ’ল। সেই দিনৰে পৰা তেওঁ দায়ুদক কটাক্ষেৰে চালে। যেতিয়াই দায়ুদক প্ৰশংসা কৰা হয়, তেওঁ হজম কৰিব পৰা নাছিল। দায়ুদে তেওঁৰ লগত কিছুমান মানুহলৈ তাৰ পৰা প্ৰাণ ৰক্ষা কৰি পলাই গ’ল আৰু পাহাৰ আৰু গুহাত লুকাই থাকিল। দুবাৰ দায়ুদে তেওঁৰ ওচৰৰ পৰা ওলাই গ’ল। কিন্তু তেওঁ চৌলৰ কোনো অনিষ্ট নকৰিলে। তেওঁ তেওঁৰ লোকবিলাকক ক’লে, “যিহোৱাৰ অভিষিক্ত মোৰ প্ৰভুলৈ এনে কাম কৰিবলৈ, তেওঁৰ বিৰুদ্ধে হাত দাঙিবলৈ যিহোৱাই মোক নিষেধ কৰক, কিয়নো তেওঁ যিহোৱাৰ অভিষিক্ত লোক” (১ চমূৱেল ২৪ঃ৬)।

তেতিয়া দায়ুদ জীফ অৰণ্যলৈ গ’ল চৌলৰ মানুহবিলাকে তেওঁক খেদি গ’ল। দায়ুদ চৌলৰ ওচৰলৈ গ’ল। কিন্তু দায়ুদে তেওঁৰ মানুহবিলাকক ক’লে, যিহোৱাৰ অভিষিক্তজনৰ অহিতে হাত নাদাঙিবাঙ্গ সেই সময়তে চমূৱেলৰ মৃত্যু হ’ল আৰু ৰামাত থকা তেওঁৰ ঘৰতে তেওঁক মৈদাম দিলে।

চৌলৰ বেয়া দিন আৰম্ভ হ’ল কিয়নো ছুনেমত পলেষ্টীয়াহঁতে তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিবৰ নিমিত্তে আহিছিল। চৌলে তেওঁৰ ভৱিষ্যতৰ বিষয়ে জানিবলৈ ইচ্ছা কৰিলে আৰু তেওঁ বেয়া খবৰ পাই আহিলে। যুদ্ধ আৰম্ভ হ’ল আৰু যুদ্ধত তেওঁৰ আৰু তেওঁৰ পুত্ৰবিলাকৰো মৃত্যু হ’ল। সেই সময়ত দায়ুদ চিক্লগত আছিল।

দায়ুদে যিহোৱাৰ গুৰিত সুধিলে, মই যিহোদাৰ কোনো এখন নগৰলৈ উঠি যামনে? ঈশ্বৰে ক’লে, তুমি হিব্ৰোণলৈ যোৱা। হিব্ৰোণত যিহূদাৰ লোকবিলাকে আহি সেই ঠাইতে দায়ুদক যিহূদা বংশৰ ওপৰত ৰজা অভিষেক কৰিলে। তেতিয়া দায়ুদৰ ৩০ বছৰ বয়স হৈছিল। পাছে ইস্ৰায়েলৰ গৃহই দায়ুদক লগ ধৰি এটি নিয়ম স্থাপন কৰিলে। তেওঁবিলাকে দায়ুদক গোটেই ইস্ৰায়েলৰ ৰজা হিচাবে গ্ৰহণ কৰিলে। দায়ুদে ইস্ৰায়েলৰ ওপৰত ৪০ বছৰ ৰাজত্ব কৰিছিল। দায়ুদ আৰু তেওঁৰ মানুহবিলাকে যিৰূচালেমক উদ্ধাৰ কৰিলে, আৰু ইয়াক গোটেই ইস্ৰায়েলৰ ৰাজধানী বনালে।

অৱশ্যে ইস্ৰায়েলৰ ৰজাৰ বাবে দায়ুদ ঈশ্বৰৰ প্ৰাকৃতিক পছন্দ আছিল। ইস্ৰায়েলবিলাকৰ জেদৰ বাবে ঈশ্বৰে চৌলক মনোনীত কৰিলে। এইটো ঈশ্বৰৰ ইচ্ছা নাছিল।

## দায়ুদ ৰজা সদগুণ!

(১) দায়ুদে সকলো বস্তুত ঈশ্বৰক প্ৰশংসা কৰিলে। তেওঁ ঈশ্বৰৰ মহিমাৰ বাবে ৭৩ টাতকৈ অধিক গীতমালা লিখিছিল।

(২) আনকি যেতিয়া অবীমেলকে তেওঁক পলেষ্টীয়াত থাকিবলৈ অনুমতি নিদিলে, দায়ুদে ঈশ্বৰক প্ৰশংসা কৰিলে, “মই সকলো সময়ত যিহোৱাৰ ধন্যবাদ কৰিম, তেওঁৰ প্ৰশংসা সদায় মোৰ মুখত থাকিব” (গীতমালা ৩৪ঃ১)।

(৩) ঈশ্বৰে তেওঁক ৰজা বনোৱাৰ বাবে তেওঁ ঈশ্বৰলৈ কৃতজ্ঞ আছিল। “নিজ প্ৰজা যাকোবক, নিজ আধিপত্যত ইস্ৰায়েলক চৰাবলৈ, তেওঁ পোৱাতী মেৰৰ পাছৰ পৰা তেওঁক আনিলে। তাতে তেওঁ নিজ মনৰ যথাৰ্থতাৰ দৰে সিবিলাকক চৰালে, আৰু নিজ নিপুণ হাতৰ দ্বাৰাই সিবিলাকক চলালে (গীতমালা ৭৮ঃ৭১, ৭২)।

(৪) ঈশ্বৰে ক’লে যে দায়ুদ মোৰ মনৰ দৰে দায়ুদক পালোঁ, তেওঁ মোৰ সকলো ইচ্ছা পূৰ কৰিব” (পাঁচনিৰ কৰ্ম ১৩ঃ২২)।

(৫) দায়ুদে প্ৰায় আটাই কাষৰীয়া দেশবোৰক পৰাজয় কৰিছিল আৰু তেওঁবিলাকক মিতব্যয়িতা বহন কৰাইছিল। যুদ্ধলৈ যোৱাৰ আগতে তেওঁ কেতিয়াও ঈশ্বৰৰ উপদেশ লোৱাত ব্যৰ্থ হোৱা নাছিল। ঈশ্বৰে তেওঁৰ হৈ যুদ্ধ কৰিছিল।

(৬) ডেকাকালত, তেওঁ নিজ হাতেৰে এটা সিংহ আৰু এটা ভালুকক মাৰিছিল, যেতিয়া

তেওঁৰ মেৰবিলাকক খাবলৈ আহিছিল তেওঁ প্ৰাণকো ভয় নকৰিলে। যীচুৱে কৈছিল, "ময়েই সজ্ মেৰ ৰখীয়া। এজন সজ মেৰ ৰখীয়াই নিজ মেৰৰ নিমিত্তে নিজ প্ৰাণকো দিয়ে"। দায়ুদৰ এনে মনোভাৱৰ বাবে ঈশ্বৰে তেওঁক ৰজা বনালে।

(৭) তেওঁৰ বিষয়বোৰত তেওঁ দায়িত্বশীল শাসন দিছিল আৰু ইস্ৰায়েলত তেওঁ আটাইতকৈ উত্তম ৰজা আছিল। তেওঁৰ দিনত মানুহবিলাক সুখত আছিল!

(৮) ঈশ্বৰে দায়ুদক প্ৰতিশ্ৰুতি দি কৈছিল যে তেওঁৰ মৃত্যুৰ পাছত, এটা বীজ স্থাপন কৰিম, যিজন তেওঁৰ শৰীৰৰ পৰা আহিব আৰু প্ৰভুৱে তেওঁৰ ৰাজ্য স্থাপন কৰিব। ঈশ্বৰৰ নামত তেওঁ এটা গৃহ নিৰ্মাণ কৰিব আৰু প্ৰভুৱে সদাকাল তেওঁৰ ৰাজ্যৰ সিংহাসন স্থাপন কৰিব।

(৯) তথাপি দায়ুদ দোষমুক্ত হোৱা নাছিল। তেওঁৰ ৰাজপ্ৰসাদৰ কাষতে বৎ-চেবা নামৰ এজনী হিত্তীয়া তিৰোতাৰ লগত জঘন্য পাপ কৰিলে। তাইৰস্বামীয়ে যুদ্ধলৈ গৈছিল। এদিন সন্ধ্যা কালত দায়ুদে ৰাজগৃহৰ চালত ফুৰোঁতে, এজনী তিৰোতাক গা-ধোৱা দেখিলে, তাইৰ ওপৰত তেওঁৰ চকু পৰিল। তেতিয়া তেওঁ মানুহ পঠাই তাইক অনালে। তেওঁ তাইৰ লগত শয়ন কৰি তাইক ওভতাই পলালে। যেতিয়া তাই গৰ্ভৱতী হোৱা বুলি দায়ুদে জানিলে, তেওঁৰ মনত অশান্তি হ'ল আৰু তাইৰ স্বামীৰ পৰা মুক্ত হ'ব বিচাৰিছিল। তেওঁ এটা ধূৰ্ত পদ্ধতি হাতত ল'লে। নাথন ভাববাদীয়ে দায়ুদ ৰজাৰ কু-কৰ্মক প্ৰকাশ কৰিলে। দায়ুদে তেওঁৰ দোষ স্বীকাৰ কৰিলে, ক্ৰন্দন কৰিলে আৰু দুখ কৰিলে। কিন্তু তেওঁ ঈশ্বৰৰ মনৰ দৰে আছিল, তথাপি তেওঁ ঈশ্বৰৰ পৰা শাস্তি পালে। শাস্তিটো অতি কঠোৰ আছিল। দায়ুদে পাপ স্বীকাৰ কৰিলে আৰু ঈশ্বৰৰ পৰা ক্ষমা বিচাৰিলে। ঈশ্বৰে তেওঁৰ প্ৰচুৰ অনুগ্ৰহ দ্বাৰাই তেওঁক ক্ষমা কৰিলে।

## যীচু খ্ৰীষ্ট!

যীচু খ্ৰীষ্ট ঈশ্বৰ হয়। তেওঁ ত্ৰয়াত্মক সদস্যৰ এজন হয়, তেওঁক ঈশ্বৰৰ পুত্ৰ কোৱা হয়। তেওঁ মছীহা হয় যি জন আৰু ৰজাৰো ৰজা আৰু প্ৰভুৰো প্ৰভু হ'বলৈ গৈ আছে। তেওঁ ৰজা আৰু মহাপুৰোহিত দুয়োটা হয়। জগতৰ পাপৰ বাবে প্ৰাণ দিবলৈ তেওঁ বলিদানৰ এটা মেৰস্বৰূপে মৃত্যুবৰণ কৰিবলৈ আহিছিল। দ্বিতীয়বাৰ তেওঁ মল্কীচেদকৰ দুয়োটা গুণসমূহ লৈ ৰজা আৰু পুৰোহিতৰ দৰে আহিব। আৰম্ভণী নথকা অন্ত নথকা মল্কীচেদকতকৈ তেওঁৰ অধিক গুণ আছে। পুনৰুত্থিত যীচু এতিয়া ঈশ্বৰৰ সোঁহাতে বহি আছে (গীতমালা ১১০:১)।

## সকলো ভাৰ যীচুক দিয়া হৈছে!

পিতৃয়ে জগতৰ সোধ বিচাৰৰ ভাৰ যীচুক শোধাই দিলে (যোহন ৫:২২)। যীচুৱে জানিছিল যে পিতৃয়ে সকলো ভাৰ তেওঁৰ হাতত দিছে, আৰু তেওঁ ঈশ্বৰৰ পৰা আহিছে আৰু তেওঁ ঈশ্বৰ হ'ব। তেওঁ নিজকে এইদৰে নম্ৰ কৰি শিষ্যবিলাকৰ ভৰি ধুৱালে। (যোহন ১৩:৩-৫)। পুনৰুত্থিত যীচুৱে তেওঁৰ শিষ্যবিলাকৰ আগত ঘোষণা কৰি ক'লে, "বোলে স্বৰ্গত আৰু পৃথিৱীত সকলো ক্ষমতা মোক দিয়া হ'ল। এই হেতুকে তোমালোক যোৱা আৰু সকলো জাতিকে শিষ্য কৰি, পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামেৰে তেওঁবিলাকক বাপ্তাইজ কৰা" (মথি ২৮:১৮)।

## যীচু পুনৰ আহিব!

হেবলৰ দিনৰ পৰা বাপ্তিষ্ট যোহনলৈকে সকলো মৃত ধাৰ্মিক লোকবিলাকে পৰমদেশত বিশ্ৰাম লৈ আছে। গতিকে খ্ৰীষ্টত মৃত বিলাকেও নতুন নিয়মৰ দিনত পৰমদেশত বিশ্ৰাম ল'ব। বাইবেলে কয়, "কাৰণ জয়ধ্বনি, প্ৰধান স্বৰ্গদূতৰ মতে আৰু ঈশ্বৰৰ তূৰী বাদ্যে সৈতে প্ৰভু নিজে স্বৰ্গৰ পৰা নামি আহিব আৰু খ্ৰীষ্টৰ আশ্ৰয়ত মৰা লোকবিলাকেই প্ৰথমে উঠিব; পাছে আমি জীৱিত থকা অৱশিষ্ট লোকবিলাক, আকাশত প্ৰভুৰ লগ ল'বলৈ, তেওঁবিলাকে সৈতে মেঘৰথত তুলি নিয়া হ'ব (১ থিচলনীকীয়া ৪:১৬-১৭)!

পুনৰুত্থানৰ সময়ক কোনেও নাজানে। কেৱল পিতৃয়ে জানে। কিছুমান মানুহে কয় যে যেতিয়ালৈকে সেই ধৰ্ম পৰিত্যাগ উপস্থিত নহ'ব আৰু পুত্ৰ সেই পাপ-পুৰুষ প্ৰকাশিত নহ'ব তেতিয়ালৈকে সেই দিন নাহিব। যি কি নহওক যীচুৱে মৃত ধাৰ্মিকক আৰু খ্ৰীষ্টত মৃত আৰু খ্ৰীষ্টত জীৱিত লোকসকলক ল'বলৈ আহিব। এইটো আকস্মিক হ'ব। পৃথিৱীৰ আৰম্ভণীৰ পৰা এইটো আদমৰ পৰা ৬০০০ যোগ বছৰ প্ৰভুৰ আগমনলৈকে এইটো প্ৰফুৰ ফল হ'ব।

ঈশ্বৰৰ ৰাজ্যৰ বাবে প্ৰভু যীচু খ্ৰীষ্টই আন এটা আকস্মিক সময়ৰ বাবে অপেক্ষা কৰি আছে। ইস্ৰায়েলৰ বাৰটা ফৈদৰ প্ৰতিটো ফৈদৰ পৰা ১২০০০ লোকৰ অৰ্থাৎ মুঠ ১.৪৪ লাখ লোকৰ কপালত স্বৰ্গদূতবিলাকে চাব মাৰিলে। এই তালিকাত দান ফৈদৰ নাম নাই কিয়নো তেওঁবিলাকে প্ৰতিমা সেৱাত লিপ্ত হৈ আছিল (আদিপুস্তক ৪৯:১৭), বিচাৰকৰ্তাবিলাক ১৮:৩০, ১ ৰাজাৱলি ১২:২৮, ২৯)। যি কি নহওক, মুঠ বাৰটা সংখ্যা থাকি গ'ল, কিয়নো মনচি ফৈদক অন্তৰ্ভুক্ত কৰা হ'ল। ঈশ্বৰে এই ১.৪৪ লাখ লোকক এটা বিশেষ হিচাবে ল'ব আৰু তেওঁৰ হাজাৰ বছৰত তেওঁবিলাকক সংখ্যাত বৃদ্ধি হ'বলৈ দিব। এটা পৰিয়ালৰ (নোহ) আঠজনে ৪০০০ তকৈ কিছু অধিক বছৰৰ ভিতৰত (২০০১+২০০০ প্লাচ) নোহৰ দিনৰ পৰা এতিয়ালৈকে ৭০০ কোটিতকৈ অধিক সংখ্যাত বৃদ্ধি পালে! গতিকে, এই ১.৪৪ লাখ লোকে, ৰজাৰো ৰজা আৰু প্ৰভুৰো প্ৰভুৱে হাজাৰ বছৰ যেতিয়া ৰাজত্ব কৰিব, তেতিয়া ৭০০ তকৈ অধিক সংখ্যাত বৃদ্ধি কৰিব পাৰিব। হাজাৰ বছৰ ৰাজত্বৰ কালত আগেয়ে মনোনীত হোৱা লোকসকলে স্বৰ্গদূতৰ দৰে নীৰৱ দৰ্শক হৈ থাকিব। গতিকে, ঈশ্বৰৰ ৰাজ্যৰ বাবে আগেয়ে মনোনীত লোক আৰু ভৱিষ্যত মনোনীত লোকসকল ১.৪৪ লাখৰ পৰা বৃদ্ধি হোৱাসকলক যোগ কৰিলে এটি বিশাল দল হ'ব। পিতৃ ঈশ্বৰে আৰু পুত্ৰ ঈশ্বৰে এই মহান সমাৰেশ দেখি আনন্দিত হ'ব। গতিকে সকলো মানদণ্ডত যীচু খ্ৰীষ্ট ৰজা আৰু মহাপুৰোহিত, মল্কীছেদকতকৈ অধিক প্ৰেম আৰু সমাদৰ উপভোগ কৰিব। প্ৰভুৱে আমাক বিস্ময়কৰ দেশ ঈশ্বৰৰ ৰাজ্যলৈ (অনন্তকাল)লৈ যাওক।

❖❖❖❖❖



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

### মোৰ পটভূমি

আমাৰ মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিত বহুত বছৰ ধৰি গৰাহৰ পৰা ৰাজগৃহলৈ নামৰ এটা বিষয় ঈশ্বৰৰ প্ৰচুৰ পৰিমাণৰ অনুগ্ৰহৰ দ্বাৰাই আমি পাব্লিচ কৰি আছো। ঈশ্বৰে কিদৰে মোক চলাই আছে তাৰ বিষয়ে তাতে মই লিখিছো।

মোৰ জীৱনৰ আৰম্ভণিৰ পৰাই ঈশ্বৰে মোক যিদৰে চলালে আৰু তুলিলে সেই সকলো ঈশ্বৰৰ পথবোৰকএকত্ৰিত কৰি মই এখন পুস্তক লিখিবলৈ পবিত্ৰ আত্মাৰ দ্বাৰাই অনুপ্ৰাণিত হৈছিলো। মই যেতিয়া ঈশ্বৰলৈ এই প্ৰতিশ্ৰুতি কৰিছিলো তেতিয়া মই ৰোগত ভুগি আছিলো আৰু আন আন সমস্যাৰ সন্মুখীন হৈ আছিলো আৰু মোৰ পঢ়ুৱৈ সকলৰ কিছুমানৰ উৎসাহে এই পুস্তকখন লিখিবলৈ প্ৰেৰণা যোগালে এই কাৰ্য্য বহুত বছৰ ধৰি পলম হৈ আছিল। ২০২১ ডিচেম্বৰত ৫ তাৰিখে সন্ধ্যাবেলাত মোৰ পুত্ৰ পালক, এলেক্স চামচন চামৰ জন্মদিন পালনৰ সময়ত আন এটা 'বন্ধুসকলৰ দেওবাৰ' নামৰ কাৰ্য্যসূচী আয়োজন কৰিবলৈ সুযোগ ল'লো। এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত নিশা প্ৰায় ১২ বজাত মই শুবলৈ গৈছিলো। প্ৰায় ৩ ঘণ্টা জুৰি পবিত্ৰ আত্মাই মোৰ অন্তৰৰ অনুভৱত আৰু সপোনত কাৰ্য্য কৰি আছিল।

পুৱা ৩ বজাত প্ৰভু যীচুখ্ৰীষ্টই মোক সাৰ পোৱালে আৰু এই লক্ষ্যটিৰ ওপৰত কাৰ্য্য কৰিবলৈ আৰম্ভ কৰালে। ঈশ্বৰে মোৰ আত্মিক চকুৰ আগত তলত দিয়া পদাটিক আনিলেঃ

"যেতিয়া তেওঁ অকলে আছিল, তেতিয়া মই তেওঁক মাতি আশীৰ্বাদ দি বহুবংশ কৰিলো।" -যিচয়া ৫১ঃ২

তেতিয়া তেওঁ মোক বাইবেলখন, এখন বহী আৰু এখন কলম হাতত ল'বলৈ বাধ্য কৰালে। মই আঠুত লৈ ক'লো, "হে পিতৃ ! মই তোমালৈ বাধ্য হৈছো আৰু মোৰ সত্য জীৱনী লিখিবলৈ মই নিজকে তোমালৈ সমৰ্পন কৰিছো। দয়া কৰি তোমাৰ অনুগ্ৰহৰ দ্বাৰাই এই পুস্তক লিখি শেষ হোৱালৈকে মোক ৰক্ষা কৰা আৰু বিভিন্ন ভাষাত ইয়াক পাব্লিচ কৰিবলৈ দিয়া"। এই কাৰ্য্য আৰম্ভ কৰিবলৈ ঈশ্বৰে মোক বিশ্বাস দিলে।

মোৰ ওচৰত বাল্যকালৰ কোনো এটা ফটো নাই। গতিকে, চিত্ৰ আঁকিবলৈ ঈশ্বৰে মোক আৰু অফিচত কাম কৰা সহকাৰী ভনী দেইচি ৰাণীক সুধিবলৈ প্ৰেৰণা দিলে। তেনে চিত্ৰ তৈয়াৰ কৰিবলৈ তেওঁ আগবাঢ়ি আহিল।

এনে ধৰণৰ পৰিস্থিতিত পৰি মই এই পুস্তকখন লিখিবলৈ আৰম্ভ কৰিলো।

### মোৰ বাল্যকাল

মোৰ মাতৃ ৰচেলেট দক্ষিণ ভাৰতৰ, কন্যা কুমাৰী জিলাৰ নেয়ুৰৰ নেল্লাৰাইকনাম পৰা আহিছিল। মোৰ ককা-দেউতা, শ্ৰী মাৰাথানদান এজন অতি গভীৰ হিন্দু ভক্ত আছিল। মোৰ ককা-দেউতা পুত্ৰ শ্ৰীনাৰায়ানা তেৰোঁ এজন হিন্দু ভক্ত আছিল। দিনবোৰ অতিবাহিত হোৱাৰ লগে লগে দক্ষিণ ভাৰতীয় মণ্ডলীৰ পৰিচৰ্যাৰ দ্বাৰাই তেওঁলোক খ্ৰীষ্টিয়ান গ্ৰহণ কৰিছিল। মোৰ ককা-দেউতাৰ নাম 'নাথানিয়েল' ৰাখিলে। তেওঁ দক্ষিণ ভাৰতীয় মণ্ডলীৰ কলাচেল-উদাইয়াৰ ভিলাই মণ্ডলীৰ পৰা 'গ্নানাপ্পো' নামৰ ছোৱালী এজনীক বিবাহ কৰিছিল। তেওঁলোকৰ প্ৰথম জীয়াৰী ৰচেলেট মোৰ মাতৃ আছিল।

মোৰ পিতৃৰ নাম শ্ৰী ছেলভা ধাচ আছিল আৰু পিতৃৰ নাম (মোৰ ককা-দেউতা) শ্ৰী চামূৱেল আছিল, তেওঁ দক্ষিণ ভাৰতীয় মণ্ডলী, নেইয়ুৰৰ নেল্লাৰাইকনামৰ এজন সদস্য আছিল। মোৰ পিতৃৰ মাতৃ শ্ৰীমতী মুথাম্মাল পাল্লিয়াদিৰ পৰা আহিছিল আৰু তেওঁ এগৰাকী বিশ্বাসী লোক আছিল। মোৰ ককা-দেউতা এজন কম্পাউণ্ডাৰ (পুৰুষ নাৰ্চ) হিচাবে দক্ষিণ ভাৰতৰ নেয়ৰ চাৰ্চ হস্পিটেলত চাকৰি কৰিছিল। এজন ইউৰোপিয়ান ডাক্তৰ চামূৱেলৰ অধীনত চাকৰি কৰিবলৈ সুবিধা পাইছিল। সেই ডাক্তজনে


## Echo of His Call Postal Courses

### 1. BIBLECOR

We offer Postal Course on Basic Truths of The Bible to new Christians and non-Christians in English – 57 pages, Hindi – 76 pages & Tamil – 96 pages. You will get a course book entitled **New Life – For You!** **After the completion of this course, you will get a certificate. There will be no compulsory fees. You will be blessed!**

### 2. THEOLOGICAL CORRESPONDENCE COURSE

Advanced Distance Education called **Theological Correspondence Course** is available in English – 537 pages and Tamil – 652 pages for Pastors, Evangelists, Christian Leaders and for lay people who have passion to do God's Ministry! A fee of Rs. 1000/- is charged. 7 Books with 149 Chapters are supplied. **Certificate in Ministry** will be awarded. **God will bless you!**

***For more details, write to us.***

**The Chairman, Nehemiah Bible College,**

**Echo of His Call, Post Box 2957**

CHEPAUK, CHENNAI - 600 005.

**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**

**Cell : 98410 71852, 95661 31858**

**E.mail : biblecor@yahoo.co.in**

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

পৃথিৱীৰ আটাইতকৈ ওখ এভাৰেষ্ট পৰ্বতত উঠি ৰেকৰ্ড কৰিছিল। মোৰ ককা-দেউতাই হস্পিতেলত কৰা চাকৰিটোক ঈশ্বৰৰ পৰিচৰ্য্যাৰ দৰে গণ্য কৰিছিল আৰু তেওঁৰ সন্তান আৰু মণ্ডলীলৈ এটা উদাহৰণস্বৰূপ দেখুৱাই জীৱন-যাপন কৰিছিল। মোৰ ককা-দেউতা আৰু আইতাই মোৰ জীৱনত এটা শক্তিশালী আত্মিক ভেটি স্থাপন কৰিছিল।

❖❖❖❖❖

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATIONS BY ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/21-23**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th** FEBRUARY 2022
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**